# গোৱালপাৰা মহাবিদ্যালয়ত তিনিদিনীয়া কাঠফুলা খেতিৰ প্ৰশিক্ষণ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৪ ফেব্ৰুৱাৰী ঃ** গোৱালপাৰা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনি আৰু কৃষি বিজ্ঞান কেন্দ্ৰ দুধনৈৰ সহযোগত কুৰুৱাভাযা ৰাজহুৱা প্ৰেক্ষাগৃহত তিনিদিনীয়া কাৰ্যসূচীৰে কাঠফুলা খেতিৰ ওপৰত প্ৰশিক্ষণ অনুষ্ঠিত হয়। গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে যোৱা ২১ ফেব্ৰুৱাৰীত আৰম্ভ কৰা প্ৰশিক্ষণৰ কালি সামৰণি পৰে। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যক্ৰম বিষয়া ড° যুগব্ৰত দাসে আঁত ধৰা প্ৰশিক্ষণৰ আৰম্ভণি অনুষ্ঠানত গোৱালপাৰা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপক ড° ধৰ্মেশ্বৰ বৰ্মন আৰু ড° দুলাল চন্দ্ৰ বৰুৱাই গোৱালপাৰা মহাবিদ্যালয়ৰ পৰা কাঠফুলা খেতিৰ ওপৰত কিয় গুৰুত্ব প্ৰদান কৰা হৈছে। সেই সম্পৰ্কে ভাষণ প্ৰদান কৰে। সভাত স্থানীয় যুৱক ৰাকেশ ৰাভা আৰু জ্যেষ্ঠ সাংবাদিক আব্দুছ ছোবাহানে কাঠফুলা খেতিৰ জৰিয়তে কুৰুৱাভাযাৰ পুৰুষ-মহিলাসকলে



কৰ্মসংস্থাপন লাভ কৰাৰ ওপৰত ভাষণ প্ৰদান কৰে। প্ৰশিক্ষণত দুধনৈ কৃষি কেন্দ্ৰৰ কৃষি বৈজ্ঞানিক ড° উৎপল ভট্টাচাৰ্যই কাঠফুলাৰ বিভিন্ন প্ৰজাতিৰ বীজ থকাৰ লগতে অসমৰ জলবায়ুৰ লগত খাপ খাব পৰাকৈ কি কি জাতৰ বীজৰ প্ৰয়োজন সেই বিষয়ে উল্লেখ কৰে। তদুপৰি বৈজ্ঞানিকজনে কাঠফুলা খেতি কেনেকৈ কৰিব লাগে তাৰ ওপৰত ভাষণ প্ৰদান কৰি একো ঠাই নোহোৱাকৈ শূন্যতে অতি কম খৰচত কাঠফুলা খেতি কৰি অধিক লাভৱান হ'ব পাৰিব বুলি উল্লেখ কৰে। সভাত স্থানীয় ভালেসংখ্যক লোক উপস্থিত থাকি কাঠফুলা খেতিৰ প্ৰতি আগ্ৰহ থকাৰ কথা উল্লেখ কৰে। উক্ত প্ৰশিক্ষণৰ দ্বিতীয় দিনা কুৰুৱাভাযা অঞ্চলৰ ৫০গৰাকী উদ্যমী যুৱক-যুৱতী, পুৰুষ-মহিলাক নিৰ্বাচিত কৰি খেৰকটা, সিজোৱা, শুকোৱা আদি হাতে-কামে দেখুওৱা হয়। ইপিনে, অন্তিম দিনা খেৰসমূহ পেকেটিং কৰি কাঠফুলাৰ বীজ ৰোপণ কৰা আৰু পেকেটসমূহ শূন্যত কেনেকৈ ওলমাই ৰাখিব তথা কেইদিন পাছত কাঠফুলাসমূহ খাব পাৰিব সেই বিষয়ে অৱগত কৰে। তদুপৰি কাঠফুলা খোৱাৰ উপকাৰিতা তথা ব্যৱসায়িক হিচাপে কেনেদৰে লাভৱান হ'ব পাৰি সেই বিষয়েও প্ৰশিক্ষণ দিয়ে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যক্ৰম বিষয়া ড° যুগব্ৰত দাসে।